# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ৩ ডিচেম্বৰ তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ মহান মৰ্যাদা সম্পন্ন খলিফা ৰাশেদ হজৰত আবু বক্কৰ ছিদ্দিক আব্দুল্লাহ বিন উচমান (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলী সম্পৰ্কে বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজিৰ পৰা হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ বিষয়ে বৰ্ণনা আৰম্ভ কৰা হ'ব। অজ্ঞতাৰ যুগত এখেত (ৰাঃ)ৰ নাম আছিল আব্দুল কোয়াবা। হুজুৰ (ছাঃ)য়ে এই নাম সলনি কৰি আব্দুল্লাহ ৰাখিছিল। এখেত (ৰাঃ)ৰ কুনিয়াত আবু বক্কৰ আৰু উপাধি আছিল আতিক আৰু ছিদ্দিক। আমউল ফিলৰ (হাতী ওয়ালাৰ যুদ্ধৰ) দুবছৰ মান পিছত অৰ্থাৎ ৫৭৩ খ্ৰীঃত হজৰত আবু বক্কৰ (ৰাঃ)ৰ জন্ম হৈছিল। কুৰাইছ কবিলা বনু তঈম বিন মাৰাতাৰ সৈতে এখেত (ৰাঃ)ৰ সম্পৰ্ক আছিল। হজৰত আবু বক্কৰ (ৰাঃ)ৰ পিতৃৰ নাম আছিল উচমান বিন আমিৰ যাৰ কুনিয়াত আছিল আবু কাহাফা আৰু মাকৰ নাম আছিল ছালমা বিনতে চাখাৰ বিন আমিৰ। যাৰ কুনিয়াত আছিল উম্মুল খায়েৰ। হজৰত আবু বক্কৰ (ৰাঃ)ৰ বংশ বৃক্ষ সাত পুৰুষ আগুৱাই গৈ মাৰাতাৰ লগত ৰছুলুল্লাহ (ছাঃ)ৰ সম্পৰ্ক হৈছে। হজৰত আবু বক্কৰ (ৰাঃ)ৰ মাতা-পিতা এখেত (ৰাঃ) ৰ মৃত্যুৰ পিছতও জীয়াই আছিল আৰু তেওঁলোকে নিজৰ পুত্ৰ অৰ্থাৎ হজৰত আবু বক্কৰ (ৰাঃ)ৰ ধনমালৰ অধিকাৰ লাভ কৰিছিল। হজৰত আবু (ৰাঃ)ৰ মৃত্যুৰ পিছত প্ৰথমে তেখেতৰ মাকৰ মৃত্যু হয়,তাৰ পিছত ১৪ হিজৰিত ৯৭ বছৰ বয়সত তেখেত (ৰাঃ)ৰ দেউতাকৰ মৃত্যু হৈছিল। হজৰত আবু বক্কৰ (ৰাঃ)ৰ দেউতাকে মক্কা বিজয়ৰ সময়ত ইছলাম গ্ৰহণ কৰিছিল কিন্তু এখেত (ৰাঃ)ৰ মাকে ইছলামৰ আৰম্ভণীতেই মুছলমান হৈ গৈছিল।

যেতিয়া ৰছুলুল্লাহ (ছাঃ) কে ধৰি চাহাবা সকলৰ সংখ্যা মাত্ৰ ৩৮ জন আছিল আৰু দাৰে আৰকমত লুকাই লুকাই ইবাদত কৰিছিল তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে হুজুৰ (ছাঃ)ক এবাৰ মছজিদ হাৰামত লৈ যায় আৰু তাতে গৈ লোকক আল্লাহৰ ফালে আমন্ত্ৰণ জনায়। এই আমন্ত্ৰণ শ্ৰৱণ কৰি তাত উপস্থিত থকা লোক সকলে মুছলমান কেইজনৰ ওপৰত মাৰ সুধাবলৈ ধৰে আৰু বেয়াকৈ মাৰ-পিট কৰে। হজৰত আবু বক্কৰ (ৰাঃ)ক ভৰিৰে এনেকৈ ঘচকিছিল যে তেখেত (ৰাঃ)য়ে মৰি যোৱা বুলিলে সন্দেহ কৰা হৈছিল। যেতিয়া এখেত (ৰাঃ)য়ে অলপ

চেতনা ঘূৰাই পায় তেতিয়া প্ৰথমেই ৰছুলুল্লাহ (ছাঃ)ৰ অৱস্থা সম্পৰ্কে সুধিছিল। ইয়াৰ পিছতেই এখেত (ৰাঃ)য়ে নিজৰ মাকক উম্মে জমিল; যিজনী হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ ভনী আছিল। তাইৰ ওচৰলৈ পঠিয়াই দিছিল। উম্মে জমিল হজৰত আবু বক্কৰ (ৰাঃ)ৰ ওচৰলৈ আহে এখেত (ৰাঃ)ৰ মাকৰ আগত হুজুৰ (ছাঃ)ৰ যিয়ে কিবা ক'বলৈ সংকোচ বোধ কৰে। তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে তাইক এটা নিশ্চয়তা দিয়ে যে তেখেত (ৰাঃ)ৰ মাকে তাইৰ গোপনীয়তা প্ৰকাশ নকৰিব। তেতিয়া উম্মে জমিলে কৈছিল যে হুজুৰ (ছাঃ)য়ে দাৰে আৰকমত সুস্থ ভাৱে আছে। এয়া শুনি হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈছিল যে খোদাৰ শপত ! নে মই আহাৰ কৰিম, নে মই পানী পান কৰিম; যেতিয়ালৈকে মই ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত গৈ উপস্থিত নহওঁ। হজৰত আবু বক্কৰ (ৰাঃ)য়ে সেই আঘাত প্ৰাপ্ত অৱস্থাতেই সহায়লৈ কপি কপি হুজুৰ (ছাঃ)ৰ ওচৰত গৈ উপস্থিত হৈছিল। সেই সময়ছোৱাত হজৰত আবু বক্কৰ (ৰাঃ)ৰ বৰ কষ্ট হৈছিল। হুজুৰ (ছাঃ)য়ে এখেত (ৰাঃ)ৰ অৱস্থা চাই সান্তনাৰ চুমা দিবলৈ হজৰত আবু বক্কৰ (ৰাঃ)ৰ ফালে আগবাঢ়োতেই হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিজৰ মাকৰ সুন্দৰ আচৰণ সম্পৰ্কে উল্লেখ কৰে আৰু আবেদন জনায় যে সম্ভৱত আল্লাহ তা'লা আপোনাৰ সহায়ত মোৰ মাকক অগ্নিৰ শাস্তিৰ পৰা ৰক্ষা কৰিব। তেতিয়া হুজুৰ (ছাঃ)য়ে দোৱা কৰিছিল আৰু হজৰত আবু বক্কৰ (ৰাঃ)ৰ মাকক ইছলাম গ্ৰহণৰ বাবে আমন্ত্ৰণ জনায় গতিকে তেখেতে ইছলাম গ্ৰহণ কৰিছিল।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ উপাধি আতিক সম্পৰ্কে হজৰত আয়শা (ৰাঃ)ৰ পৰা বৰ্ণনা পোৱা যায় যে এবাৰ হজৰত আবু বক্কৰ (ৰাঃ)য়ে হুজুৰ (ছাঃ)ৰ ওচৰলৈ আহে; তেতিয়া আঁ-হজৰত (ছাঃ)য়ে কৈছিল- اَنْتَ عَتِيْقُ اللّٰهِ مِنَ النَّارِ অৰ্থাৎ তুমি আল্লাহৰ ফালৰ পৰা অগ্নিৰ পৰা মুক্ত। কিছুমান ইতিহাসবিদে উল্লেখ কৰিছে যে আতিক আছিল হজৰত আবু বক্কৰ (ৰাঃ)ৰ নাম। কিন্তু এয়া শুদ্ধ তথ্য নহয়। হজৰত আবু বক্কৰ (ৰাঃ)ৰ আন এটা উপাধি ছিদ্দিক সম্পৰ্কে উল্লেখ পোৱা যায় যে অজ্ঞতাৰ যুগত এই উপাধি এখেত (ৰাঃ)ক দিয়া হৈছিল। এয়াও উল্লেখ আছে যে হুজুৰ (ছাঃ)ৰ খবৰ তৎক্ষণাত অৰ্থাৎ শুনাৰ লগে লগে সত্যায়ন কৰাৰ কাৰণেই হজৰত আবু বক্কৰ (ৰাঃ)ৰ নাম ছিদ্দিক হৈ গৈছিল। সেয়ে হজৰত আয়শা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে যেতিয়া ৰাতিৰ বেলিকা হুজুৰ (ছাঃ)ক বায়তুল মুকাদছ লৈ লৈ যোৱা হৈছিল তেতিয়া ৰাতিপুৱা লোকে এই সম্পৰ্কে আলোচনা-বিলোচনা কৰিবলৈ লৈছিল। যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে এই কথা খিনি জানিব পাৰিছিল যে হুজুৰ (ছাঃ)য়ে এয়া কৈছে তেতিয়া এখেত (ৰাঃ)য়ে কৈছিল যে নিশ্চয় এয়া সত্য কথা। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই ঘটনাটো বৰ্ণনা কৰি কৈছে যে যেতিুয়া আবু বক্কৰ (ৰাঃ)য়ে আঁ-হজৰত (ছাঃ)ৰ সত্যায়ন কৰে তেতিয়া মানুহে আলোচনা কৰিছিল যে হজৰত আবু বক্কৰে বিবেক বিৰুদ্ধ কথাও মানি ল'ব। এয়া শুনি হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈছিল মই এই কথাও মানি ল'ম যে পুৱা,গধূলি তেখেত (ছাঃ)ৰ ওপৰত আচমানৰ পৰা বাণী অৱতীৰ্ণ হয়।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আঁ-হজৰত (ছাঃ)য়ে যিহেতু হজৰত আবু বক্কৰ (ৰাঃ)ক ছিদ্দিক উপাধি দিছে গতিকে আল্লাহ তা'লায়হে ভালদৰে জানে তেখেত (ৰাঃ)ৰ কি গুণাৱলী আছে। হজৰত আবু বক্কৰ (ৰাঃ)য়ে যি সততা দেখুৱাইছে তাৰ দৃষ্টান্ত খুজি পোৱা বিৰল। আতিক আৰু ছিদ্দিক উপাধিৰ ওপৰিও হজৰত আবু বক্কৰ (ৰাঃ)ৰ আৰু উপাধি আছিল যেনে খলিফাতুৰ ৰছুলুল্লাহ, اَوَّاهٌ অৰ্থাৎ বৰ প্ৰজ্ঞাবান আৰু দয়ালু,প্ৰশংসা কাৰী সকলৰ চৰ্দাৰ,ছানি ইছনায়নি; এয়া সেই উপাধি যাৰ জৰিয়তে আল্লাহ তা'লা তেখেত (ৰাঃ)ক ভূষিত কৰিছিল। যেনেকৈ হিজৰতে মদিনাৰ ঘটনাত আল্লাহ তা'লা কৈছে যে

إِذْ أَخْرَجَهُ الَّذِيْنَ كَفَرُوْا ثَانِيَ اثْنَيْنِ إِذْ هُمَا فِي الْغَارِ إِذْ يَقُوْلُ لِصَاحِبِهٖ لَا تَحْزَنْ إِنَّ اللّٰهَ مَعَنَا

অৰ্থাৎ যেতিয়া সেই লোকসকলে যিসকলে কুফৰ কৰিছিল আৰু ঘৰৰ পৰা খেদি পঠিয়াইছিল; তেতিয়া এওঁলোক দুয়ো একে আছিল। যেতিয়া এওঁলোক দুয়ো গুহাত আছিল; এজনে আনজনক কৈছিল যে চিন্তা নকৰিবা নিশ্চয় আল্লাহ আমাৰ লগত আছে। সেয়ে আল্লাহ তা'লা তেওঁলোকৰ ওপৰত নিজৰ প্ৰশান্তি অৱতীৰ্ণ কৰিছিল।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আল্লাহ তা'লা দুৰ্গতিৰ সময়ত আৰু বিপদ কালত নিজৰ নবীক হজৰত আবু বক্কৰৰ জৰিয়তে আশ্বাস দিছিল আৰু আল ছিদ্দিক নাম আৰু নবী ছাকেলিন নামেৰে ভূষিত কৰিছিল। আল্লাহ তা'লা হজৰত আবু বক্কৰ (ৰাঃ)ক ছানি ইছনায়নিৰ গৌৰাবান্বিত পোছাকেৰে আবৃত কৰিছিল। তোমালোকে এনেকুৱা আন কোনো লোকক জানানে যে যাৰ বিষয়ে কোৰ-আন কৰিমত এনে প্ৰশংসাৰ দৰে প্ৰশংসা কৰা হৈছে। এনেকি যাৰ গোপনীয় অৱস্থা সম্পৰ্কে থকা সন্দেহবোৰ দূৰ কৰি দিয়া হৈছে ? হজৰত আবু বক্কৰ (ৰাঃ)ৰ আৰু এটা উপাধি আছে চাহাবুৰ ৰছুল। এবাৰ হজৰত আবু বক্কৰ (ৰাঃ)ৰ পৰামৰ্শত ছুৰা তৌবা পঢ়া হৈছিল,যেতিয়া **ইজ ইয়া কুলুল চাহিবা** এই আয়াত পঢ়ে তেতিয়া তেখেত (ৰাঃ) য়ে কান্দি দিছিল আৰু কৈছিল আল্লাহৰ কছম ! ময়েই তেখেত (ছাঃ)ৰ লগৰীয়া হৈ আছিলো।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ আৰু এটা উপাধি আছে আদমে ছানি এই উপাধি প্ৰদান কৰিছে হজৰত মছীহে মাওউদ (আঃ)য়ে। নিজৰ এখন লিখনীত হজৰত মছীহ মাওউদ (আঃ)য়ে লিখিছে যে আবু বক্কৰ (ৰাঃ) ইছলামৰ আদমে ছানি অৰ্থাৎ (ইছলামৰ দ্বিতীয়জন পুৰুষ) ছিৰৰুল খিলাফাত কৈছে যে খোদাৰ কছম ! আবু বক্কৰ (ৰাঃ) ইছলামৰ বাবে আদমে ছানি আৰু খায়ৰুল আনাম মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ আলোকৰ প্ৰথম দৃশ্য আছিল।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ আৰু এটা উপাধি আছে খলিলুৰ ৰছুল। নবী কৰিম (ছাঃ)য়ে কৈছে যদি মই কাৰোবাক খলিল বনালো হয় তেন্তে আবু বক্কৰক বনালো হয়। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে প্ৰেম আৰু বন্ধুত্ব হ'ল সেয়া যি ধমনিত প্ৰবাসিত হৈ থাকে আৰু সেয়া কেৱল আল্লাহ তা'লাৰ উদ্দেশ্যই সংগঠিত হৈ থাকে। আঁ-হজৰত (ছাঃ)ৰ এই পৱিত্ৰ পংক্তি ফাঁকিৰ অৰ্থ হ'ল এয়া যে আল্লাহ তা'লাৰ প্ৰেম অন্তৰত পুহি ৰখাটো কোনো ধৰণৰ অংশীবাদিতা (শিৰক) হ'ব নোৱাৰে। এই জগতত যদি কোনোবাজনক বন্ধু বনালো হয় তেন্তে আবু বক্কৰক বনালো হয়। ইয়াতে কোনো শিৰক নিহিত নাই।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ কুনিয়াত আবু বক্কৰ সম্পৰ্কে বিভিন্ন বৰ্ণনাৰ উল্লেখ পোৱা যায় যেনে বকৰ ডেকা উটবিলাকক বকৰ বুলি কোৱা হয়। যিহেতু এখেত (ৰাঃ)য়ে উট পোহপাল দিয়াটো বৰ ভাল পাইছিল যাৰ ফলত এখেত (ৰাঃ)ৰ কুনিয়াত হৈছিল বকৰ। আন কিছুমানৰ ধাৰণা মতে এখেত (ৰাঃ)য়ে ইছলাম গ্ৰহণৰ ক্ষেত্ৰত বেলেগতকৈ আগতে আগবাঢ়ি আহিছিল; যাৰ কাৰণে কিছুমানৰ মতে তেখেতৰ পৱিত্ৰ চৰিত্ৰত اِبْتِكَار (ব্যাকুল হৈ যোৱাৰ) কাৰণে আবু বক্কৰে কোৱা হৈছিল।

হজৰত আয়শা (ৰাঃ)য়ে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ শাৰীৰিক অৱয়ব সম্পৰ্কে বৰ্ণনা কৰিছে যে তেখেত (ৰাঃ)ৰ ৰং আছিল সুন্দৰ লাল বৰণীয়,শৰীৰ ক্ষীণকায়,শক্তিশালী কঁকাল,বহল কপাল আছিল। গালৰ হণুত মাংস আছিল কম,আৰু চকুযুৰি ভিতৰলৈ সুমোৱা আছিল। তেখেতে জেতুকা আৰু কিতম ব্যৱহাৰ কৰিছিল। তেখেত (ৰাঃ) বৰ কোমল মিজাজি আৰু সম্প্ৰদায়ৰ ওচৰত বৰ প্ৰিয় আছিল। এখেত (ৰাঃ)ৰ পেশা আছিল ব্যৱসায় আৰু ব্যৱসায়ত তেখেত (ৰাঃ)ৰ দৃষ্টান্ত বিহীন ব্যক্তিত্ব আৰু দৃষ্টান্ত বিহীন উত্তম চৰিত্ৰৰ প্ৰাধান্য আছিল।

হজৰত ৰছুলে কৰিম (ছাঃ)ৰ আবিৰ্ভাৱৰ সময়ত হজৰত আবু বক্কৰ (ৰাঃ)ৰ ব্যৱসায়িক মূলধন আছিল চল্লিশ হাজাৰ দেৰহাম। ইছলাম গ্ৰহণৰ আগত এখেত (ৰাঃ)ৰ উত্তম চৰিত্ৰ আৰু ধন-সম্পদৰ কাৰণে কুৰাইছৰ মাজত উচ্চ স্থান লাভ কৰিছিল। এখেত (ৰাঃ)কুৰাইছৰ নেতৃবৃন্দৰ এজন আছিল আৰু এখেত (ৰাঃ)ৰ পৰামৰ্শৰ মূল্য দিছিল। এখেত (ৰাঃ) আটাইতকৈ বেছি পৱিত্ৰ গুণাৱলীৰ অধিকাৰী আছিল। হজৰত আবু বক্কৰ (ৰাঃ)দানশীল আভিজাত্যেৰ অধিকাৰী আৰু প্ৰচুৰ পৰিমাণৰ ধন-মাল খৰচ কৰিছিল। সপোনৰ তাবিৰ (ব্যাখ্যা) কৰাত গভীৰ জ্ঞান ৰাখিছিল। এনেদৰে ন্যায় বিচাৰৰ জ্ঞানৰ ক্ষেত্ৰত শীৰ্ষস্থান দখল কৰিছিল। ইছলাম গ্ৰহণ কৰাৰ আগত হত্যাৰ জৰিমনা জমা ৰখাৰ দায়িত্ব আছিল কবিলা তৈয়মৰ ওপৰত গতিকে যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)ডেকা হৈ আহিছিল তেতিয়া এই দায়িত্ব তেখেতৰ হাতত চমজাই দিয়া হৈছিল। দৰিদ্ৰ আৰু নিপীড়িত সকলৰ সাহায্যাৰ্থে গঠিত হোৱা হিলফুল ফজলতও এখেত (ৰাঃ) চামিল আছিল। নবুয়ত প্ৰাপ্তিৰ আগৰে পৰাই আবু বক্কৰ (ৰাঃ)ৰ সৈতে আঁ-হজৰত (ছাঃ)ৰ এক বিশেষ সুসম্পৰ্ক আছিল। বেছিভাগ বাণিজ্য ভ্ৰমণতে এখেত দুয়োজনে একেলগে থকাৰ সুবিধা পাইছিল। হজৰত মিৰ্জা বশিৰ উদ্দিন মাহমুদ আহমদ (ৰাঃ)য়ে কৈছে যে আঁ-হজৰত (ছাঃ)ৰ সৈতে সম্পৰ্ক থকা ব্যক্তি সকলৰ মাজত প্ৰথম নম্বৰত আছিল হজৰত আবু বক্কৰ (ৰাঃ)। অজ্ঞতাৰ যুগৰ পৰাই এখেত (ৰাঃ)য়ে শিৰক  মুক্ত আছিল আৰু শিৰিক কৰাক ঘৃণা কৰিছিল। কেতিয়াও কোনো মূৰ্তিক ছিজদাহ কৰা নাছিল। এনেদৰে সেই অজ্ঞতাৰ যুগৰ পৰাই এখেত (ৰাঃ)য়ে মদ পান কৰাটো ঘৃণাৰ চকুৰে চাইছিল।

হজৰত আবু বক্কৰ (ৰাঃ)য়ে ইছলাম গ্ৰহণ কৰা সম্পৰ্কে এটা বৰ্ণনাৰ উল্লেখ পোৱা যায় যে এদিন হজৰত আবু বক্কৰ (ৰাঃ) হজৰত হাকিম বিন হিজামৰ ঘৰত আছিল; এনেতে হাকিমৰ এজনী দাসীয়ে কৈছিল যে তোমাৰ পেহী খাদিজা কৈছে যে তাইৰ স্বামীক মুছাৰ দৰে নবী বনোৱা হৈছে। এয়া শুনি হজৰত আবু বক্কৰ (ৰাঃ)য়ে মনে মনে তাৰ পৰা উঠি আহি নবী কৰিম (ছাঃ)ৰ ওচৰত আহি ইছলাম গ্ৰহণ কৰে।

ছিৰাত ইবনে হিশামৰ শ্বৰাহ আৰৰুজ আল আনফুত উল্লেখ আছে যে আবু বক্কৰ (ৰাঃ)য়ে সপোনত দেখিছিল যে চন্দ্ৰ মক্কাত নামি আহিছে আৰু চূৰ্ণ-বিচূৰ্ণ হৈ সকলো ঠাইতে আৰু সকলো ঘৰতে গৈ পৰিছে আৰু যেনিবা সেই টুকুৰাবোৰ গোটাই আনি তাৰ কোলাত ৰখা হৈছে। **ছবলুল হুদাত** উল্লেখ আছে যে হজৰত আবু বক্কৰ (ৰাঃ)য়ে স্বামত ব্যৱসায় কৰিবলৈ গৈছিল; যেতিয়া তেখেতে সপোন দেখিছিল; বহিৰা ৰাহেবৰে সেই সপোনৰ তাবিৰ (ব্যাখ্যা) কৰিছিল যে তোমাৰ সম্প্ৰদায়ত এজন নবীৰ আগমন ঘটিব তাৰ খলিফা হ'বা।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ এই বিষয়ে ইনশা আল্লাহ আগলৈ আৰু বৰ্ণনা কৰা হ'ব।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰه رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................
..........................................................................................................................................
..........................................................................................................................................
..........................................................................................................................................
..........................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**